**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 06-02-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::::::::::::::::::::::::::::::::**

১। ইউৰোপীয় সংঘ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে হোৱা ভাৰতৰ বাণিজ্য চুক্তিৰ পৰা বিশ্ব সুস্থিৰতাৰ দিশে অগ্ৰসৰ হোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে আজি পুৱা পৰীক্ষাপে চৰ্চা অনুষ্ঠানৰ নৱম সংস্কৰণত দেশৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰিব।

৩। আমেৰিকা আৰু ইৰানৰ মাজত আজি মাস্কটত পোনপটীয়া পাৰমাণৱিক আলোচনা অনুষ্ঠিত হ'ব।

৪। ভাৰত আজি ১৯ বছৰ অনুৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

*আৰু*

৫। ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে।

০০০০

ইউৰোপীয় সংঘ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে হোৱা ভাৰতৰ বাণিজ্য চুক্তিৰ পৰা বিশ্ব সুস্থিৰতাৰ দিশে অগ্ৰসৰ হোৱা বুলি আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ মাজত আস্থাৰ ভাব গঢ়ি উঠা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। ৰাজ্যসভাত কালি ৰাষ্ট্ৰপতিৰ ভাষণত ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় বিতৰ্কৰ উত্তৰ দি প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতে গুৰুত্বপূৰ্ণ দেশসমূহৰ সৈতে ভৱিষ্যমুখী চুক্তি সম্পাদন কৰিছে। তেওঁ কয়, যে এনে চুক্তিসমূহে গোলকীয় স্বীকৃতি লাভ কৰিছে আৰু দেশৰ যুৱ প্ৰজন্মৰ বাবে ন ন সুযোগ সৃষ্টি হৈছে। তেওঁ কয়, যে অলপতে ইউৰোপীয় সংঘৰ সৈতে সম্পাদিত চুক্তিকে ধৰি মুঠ ৯খন গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰিত হৈছে। ২৭ খন দেশক লৈ গঠিত ইউৰোপীয় সংঘৰ সৈতে হোৱা চুক্তিখনক প্ৰধানমন্ত্ৰী সকলো চুক্তিৰ মাতৃস্বৰূপ বুলি অভিহিত কৰে। শ্ৰী মোদীয়ে কয়, যে ইউৰোপীয় সংঘৰ সৈতে সম্পাদিত চুক্তিখনে বিশ্ব সম্প্ৰদায়ৰ মাজত স্থিৰতাৰ বিশ্বাস গঢ়ি তুলিছে আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে হোৱা চুক্তিখনে এই বিশ্বাস সুদৃঢ় কৰি তুলিছে। তেওঁ কয়, যে দুয়োখন চুক্তিয়ে বিশ্বৰ বাবে ইতিবাচক সংকেট কঢ়িয়াই আনিছে আৰু চুক্তি দুখনৰ পৰা যুৱ সম্প্ৰদায় সৰ্বাধিক লাভান্বিত হ'ব। ক'ভিড-১৯ৰ প্ৰাদুৰ্ভাৱৰ পাছত বিশ্বত গোলকীয় অস্থিৰতা বৃদ্ধি পোৱাৰ লগতে নতুন বিশ্ব ব্যৱস্থা সৃষ্টি হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ভাৰত কেইবাখনো ৰাষ্ট্ৰৰ নিৰ্ভৰযোগ্য সহযোগী আৰু ই বিশ্বৰ কল্যাণৰ বাবে কাম কৰি আহিছে। তেওঁ কয়, যে ভাৰত আন্তঃৰাষ্ট্ৰীয় মঞ্চসমূহৰ বিকাশশীল ৰাষ্ট্ৰসমূহৰ শক্তিশালী কণ্ঠৰূপে পৰিগণিত হৈছে।

প্ৰধানমন্ত্ৰীয়ে কয়, যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুঁটীয়া বৈঠকত দিয়া ভাষণত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে বিগত এটা বছৰত হোৱা দ্ৰুত প্ৰগতিৰ বিষয়ে উল্লেখ কৰিছে। শ্ৰীমোদীয়ে কয়, যে ভাৰতে সম্প্ৰতি নীতিগত সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু সংস্কাৰ প্ৰদৰ্শন তথা ৰূপান্তৰৰ মন্ত্ৰক সাৰোগত কৰি বিভিন্ন ক্ষেত্ৰত

সংস্কাৰৰ সূচনা কৰিছে। তেওঁ নিৰ্মাণখণ্ডৰ সুদৃঢ়কৰণ, উদ্যমীসকলৰ সৰলীকৰণ আৰু মূল্য সংযোজন সুনিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা সংস্কাৰৰ বিষয়ে আলোচনা কৰে। ভাৰত সম্প্ৰতি গোলকীয় পৰ্যায়ৰ প্ৰতিযোগিতাৰ বাবে সম্পূৰ্ণৰূপে সাজু বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

শ্ৰী মোদীয়ে কয়, যে অনাগত সময়ত ভাৰতৰ বাবে বিশেষকৈ যুৱ প্ৰজন্মৰ বাবে অপাৰ সম্ভাৱনাৰে ভৰা আৰু এই সম্ভাৱনাৰ সৎ ব্যৱহাৰৰ বাবে নীতি প্ৰস্তুত কৰি থকা হৈছে। তেওঁ সাংসদসকলক নিজ নিজ সমষ্টিৰ জনসাধাৰণক গুণগত মানৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ বাবে উৎসাহিত কৰিবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰীয়ে কয়, যে গুৰুত্বপূৰ্ণ অৰ্থব্যৱস্থাসমূহৰ ভিতৰত ভাৰতৰ বিকাশ হাৰ সৰ্বাধিক হোৱা আৰু মুদ্ৰাস্ফিতি কম হোৱাটোৱে দেশৰ অৰ্থ ব্যৱস্থাৰ দৃঢ়তাকে সূচায়। বিৰোধী পক্ষই তেওঁলোকৰ শাসন কালত ভালেমান সুযোগ হেৰুৱাইছিল যদিও সম্প্ৰতি ভাৰতে সন্মুখৰ পৰা নেতৃত্ব দিছে বুলি তেওঁ মন্তব্য কৰে।

পূৰ্বৰ ইউ পি এ চৰকাৰক কটাক্ষ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ২০১৪ চনৰ পূৰ্বে ভাৰতীয় অৰ্থব্যৱস্থা বিশ্বৰ পাঁচখন দুৰ্বল অৰ্থব্যৱস্থাৰ অন্যতম বুলি গণ্য কৰা হৈছিল আৰু সম্প্ৰতি ভাৰত বিশ্বৰ তৃতীয় সৰ্ববৃহত অৰ্থব্যৱস্থা হোৱাৰ দিশে অগ্ৰসৰ হৈছে। কংগ্ৰেছৰ শাসন কালত দৃঢ়তা আৰু দূৰদৰ্শিতাৰ অভাৱ আছিল বুলিও তেওঁ দাবী কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে বুধবাৰে লোকসভাৰ কাৰ্যক্ৰমণিকাৰ সময়ত প্ৰদৰ্শন কৰা অশোভনীয় আচৰণৰ বাবে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে। তেওঁ লগতে সংসদ ভৱনৰ চৌহদত কেন্দ্ৰীয় মন্ত্ৰী ৰৱনীত সিং বিট্টুৰ বিৰুদ্ধে কৰা অপমানজনক মন্তব্যৰ বাবে লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীকো সমালোচনা কৰে। বিভিন্ন কল্যাণমূলক আঁচনিৰ সাফল্যৰ বিষয়ে উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে মুদ্ৰা যোজনাৰ অধিনত দেশৰ যুৱক-যুৱতীসকলক অতিৰিক্ত বন্ধকি অবিহনে ৩০ লাখ কোটিৰো অধিক টকাৰ ঋণ প্ৰদান কৰা হৈছে। তেওঁ কয়, যে প্ৰগতি মঞ্চৰ মাধ্যমেৰে ৮৫ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন প্ৰকল্পৰ পৰ্যালোচনা কৰা হৈছে আৰু এই প্ৰকল্পৰ কামকাজসমূহ ত্বৰান্বিত কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ ভাষণৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে সদন কক্ষ ত্যাগ কৰে। প্ৰধানমন্ত্ৰীৰ ভাষণৰ পাছতে ৰাজ্যসভাই ধ্বনি ভোটত ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ গ্ৰহণ কৰে। লোকসভাতো কালি এই প্ৰস্তাৱ গৃহীত হয়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা পৰীক্ষাপে চৰ্চা অনুষ্ঠানৰ নৱম সংস্কৰণত দেশৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰিব। এই বাৰ্ষিক অনুষ্ঠান পুৱা ১০ বজাত বিভিন্ন মঞ্চৰ যোগেদি সম্প্ৰচাৰ কৰা হ'ব।

এইবাৰৰ সংস্কৰণত শিক্ষাৰ্থীসকলক পৰীক্ষাৰ সময়ত মানসিক চাপৰ পৰা মুক্ত হৈ থকাত সহায় কৰা আৰু একাত্মচিত্তে শিক্ষা গ্ৰহণত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০

আজি ওমানৰ ৰাজধানী মাস্কাটত আমেৰিকা আৰু ইৰাণৰ মাজত প্ৰত্যক্ষ পাৰমাণৱিক আলোচনা অনুষ্ঠিত হ'ব। আলোচনাৰ স্থান আৰু বিষয়বস্তুক লৈ কেইবাদিনো চলি থকা অনিশ্চয়তাৰ অন্তত ভাৰতীয় সময় অনুসৰি আজি পুৱা ১১ বাজি ৩০ মিনিটৰ পৰা এই আলোচনা আৰম্ভ হ'ব । ইৰাণৰ বৈদেশিক মন্ত্ৰী আব্বাছ আৰাঘচিয়ে সামাজিক মাধ্যমত এই বৈঠকৰ কথা ঘোষণা কৰি ওমান কৰ্তৃপক্ষক এই ব্যৱস্থাৰ সুবিধা প্ৰদান কৰাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে।

শেহতীয়াকৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰাণৰ শীৰ্ষ নেতা আয়াতুল্লাহ আলী খামেনেইক তীব্ৰ সতৰ্কবাণী জাৰি কৰি কয় যে তেওঁ অতি চিন্তিত হোৱা উচিত।

আমেৰিকাৰ বিষয়াসকলে গুৰুত্ব আৰোপ কৰিছে যে ইৰাণে আলোচনা পাৰমাণৱিক বিষয় আৰু নিষেধাজ্ঞাৰ ৰেহাইৰ মাজতে সীমাবদ্ধ ৰাখিব বিচাৰিছে যদিও ৱাশ্বিংটনে তেহৰাণৰ বেলেষ্টিক মিছাইল কাৰ্যসূচীৰ সমাধানত জোৰ দিছে। আলোচনাৰ মাজতে প্ৰস্তুতিৰ প্ৰদৰ্শন হিচাপে আমেৰিকাই পশ্চিম এছিয়াত বিমানবাহী জাহাজ আৰু ষ্ট্ৰাইক প্লেটফৰ্মকে ধৰি সামৰিক উপস্থিতি শক্তিশালী কৰিছে।

আন্তঃৰাষ্ট্ৰীয় সমাজে এই আলোচনাৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিব যে ইয়াৰ ফলাফলে সমগ্ৰ অঞ্চলটোৰ স্থিতিশীলতা, বিশ্ব শক্তি বজাৰ, আৰু পাৰমাণৱিক অস্ত্ৰৰ প্ৰসাৰ ৰোধৰ প্ৰচেষ্টাক প্ৰভাৱিত কৰিব পাৰে।

০০০০

ভাৰত আজি জিম্বাবুৱেৰ হাৰাৰেত হ'বলগীয়া ১৯ বছৰ অনুৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১ বজাত আৰম্ভ হ'ব। ভাৰতে বুধবাৰে হাৰাৰেত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত আফগানিস্তনক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰবেশ কৰে। একেদৰে ইংলেণ্ডে প্ৰথমখন ছেমি ফাইনেলত যোৱা বাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াক ২৭ ৰাণত পৰাভুত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ভাৰতীয় দলটো এইবাৰৰ প্ৰতিযোগিতাত এতিয়ালৈকে এখনো খেলত পৰাজিত হোৱা নাই। ভাৰত প্ৰতিযোগিতাৰ ইতিহাসত সবাতোকৈ সফল দল। ভাৰতে এতিয়ালৈকে অভিলেখ সংখ্যক পঞ্চম বাৰৰ বাবে প্ৰতিযোগিতাৰ খিতাপ জখল কৰিছে।

০০০০

ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে যোৱা নিশা বডোডৰাত অনুষ্ঠিত মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ডেলহি কেপিটেলছক ছয় উইকেটত পৰাস্ত কৰি দ্বিতীয়বাৰৰ বাবে প্ৰতিযোগিতাৰ খিতাপ দখল কৰে। বাংগালুৰুৱে ২০৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি অধিনায়ক স্মৃতি মান্ধানাৰ ৮৭ আৰু জৰ্জিয়া ৱ'লৰ ৭৯ ৰানৰ সহায়ত ১৯ অভাৰ আৰু ৪ টা বলত ৪ টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে ডেলহি কেপিটেলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ২০৩ ৰান সংগ্ৰহ কৰেয় দিল্লীৰ হৈ অধিনায়ক জেমিমা ৰোড্ৰিক্সে ৩৭ টা বলত ৫৭ ৰান কৰে। ছিনলে হেনৰিয়ে ১৫ টা বলত ৩৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। স্মৃতি মান্ধানাক প্লেয়াৰ অৱ দ্যা মেচ আৰু গুজৰাট জায়েণ্টছৰ অলৰাউণ্ডাৰ ছ'ফি ডিৱাইনক প্লেয়াৰ অৱ দ্যা ছিৰিজ হিচাপে ঘোষণা কৰা হয়।

০০০০

এছিয়া টিম বেডমিণ্টন চেম্পিয়নশ্বিপত যোৱাবাৰৰ স্পিয়ন ভাৰতীয় মহিলা দলটোৱে ঘৰুৱা দল চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পুৰুষৰ দলটোৱে আজি কিংডাওত হ'বলগীয়া কোৱাৰ্টাৰ ফাইনেলত দক্ষিণ কোৰিয়াৰ মুখামুখি হ'ব।

গ্ৰুপৰ অন্তিমখন খেলত জাপান আৰু থাইলেণ্ডৰ হাতত ২-৩ গেমত পৰাজয়ৰ সন্মুখীন হোৱাৰ পাছতো পুৰুষ আৰু মহিলা দল দুটা, শেষৰ ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে।

ইতিমধ্যে যোগ্যতা অৰ্জন কৰি ভাৰতীয় পুৰুষ দলে জাপানৰ বিৰুদ্ধে লক্ষ্য সেন আৰু কিদাম্বী শ্ৰীকান্তক জিৰণি দিয়ে। প্ৰথম একক শাখাত আয়ুষ শ্বেট্টীয়ে কেন্টা নিছিমোটোক ২১-১৮, ১৫-২১, ২১-১১ গেমত পৰাস্ত কৰি ভাৰতক বিজয়ৰ আৰম্ভণি দিয়ে। ইয়াৰ পাছতে চাত্বিকচাইৰাজ ৰেংকিৰেডী আৰু চিৰাগ শ্বেট্টীয়ে টাকুৰো হোকি আৰু যুগো কোবায়াছিৰ বিৰুদ্ধে ২১-১৮, ১৫-২১, ২১-১২ গেমত ভাৰতক অগ্ৰগতি প্ৰদান কৰে।

অৱশ্যে পৰৱৰ্তী তিনিখন মেচত পুৰুষৰ দলটো পৰাস্ত হয়। ভাৰতীয় মহিলা দলটোৱেও থাইলেণ্ডৰ হাতত ২-৩ গেমত শোচনীয়ভাৱে পৰাজয়ৰ সন্মুখীন হ'বলগীয়া হয়।

ইয়াৰ পাছতে মহিলাৰ ডাবলছ যুটি ট্ৰিছা জলী আৰু গায়ত্ৰী গোপীচান্দে ২১-১৪, ২০-২২, ২১-১১ গেমত জয়লাভ কৰি ভাৰতক ২-শূন্যৰ অগ্ৰগতি প্ৰদান কৰে।

0000

ঃঃ সমাপ্ত ঃঃ